ASSAM PROJECT ON FOREST & BIODIVERSITY CONSERVATION

AGENCE FRANÇAISE DE DÉVELOPPEMENT

# এৰাসুঁতি গাঁও পৰিৱেশ উন্নয়ন সমিতি

গুইজান আঞ্চলিক, তিনিচুকীয়া বন্যপ্ৰাণী বন সংগুল

# ক্ষুদ্ৰ পৰিকল্পনা

(২০১৬-১৭ৰ পৰা ২০২৫-২৬ লৈ)

এৰাসুঁতি গাঁও পৰিৱেশ উন্নয়ন সমিতি (JFMC)ৰ দ্বাৰা প্ৰস্তুত

সহায়কাৰী

অসম বন বিভাগ

আৰু

ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট (কম্পেল', COMPELO)

[ আই আই ই (IIE) আৰু আৰ জি ভি এন (RGVN) ]

Approved

জুন, ২০১৭

Divisional Forest Officer
Tinsukia Wildlife Division
Tinsukia

# সংক্ষিপ্ত শব্দৰ সম্পূৰ্ণ নামৰ তালিকা

| সংক্ষিপ্ত | সম্পূৰ্ণ নাম |
|---|---|
| এ এফ ডি (AFD) | এজেন্সি ফ্ৰেন্সাইজি ডি ডেভেলপমেণ্ট |
| এ পি এফ বি চি (APFBC) | বন আৰু জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ অসম প্ৰকল্প (আছাম প্ৰজেক্ট অন ফৰেষ্ট এণ্ড বায়'ডাইভাৰ্ছিটী কনজাৰভেচন) |
| এ পি এল (APL) | দাৰিদ্ৰ্য সীমাৰেখাৰ ওপৰৰ (এব'ভ পভাৰ্টী লাইন) |
| বি পি এল (BPL) | দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ (বিল' পভাৰ্টী লাইন) |
| চি এম এল (CML) | ক্ষুদ্ৰ বিত্তীয় সাহায্য আৰু জীৱিকা কেন্দ্ৰ (চেণ্টাৰ ফৰ মাইক্ৰ'-ফাইনেন্স এণ্ড লাইভলিহুড) |
| কম্পেল' (COMPELO) | ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট কনছাল্টিং ছাৰ্ভিচ ফৰ মাইক্ৰ'প্লেনিং এনহেনচিং লাইভলিহুড অপৰচুনিটিজ |
| ডি এফ অ' (DFO) | সাংমণ্ডলিক বন বিষয়া (ডিভিজনেল ফৰেষ্ট অফিচাৰ) |
| ই ডি চি (EDC) | পৰিৱেশ-উন্নয়ন সমিতি (ইক' ডেভেলপমেণ্ট ছ'চাইটী) |
| ই পি এ (EPA) | প্ৰাৰম্ভিক কাৰ্যসূচী (এণ্ট্ৰি পইণ্ট এক্টিভিটী) |
| এফ চি এ (FCA) | বন (সংৰক্ষণ) আইন, ১৯৮১ (ফৰেষ্ট কনজাৰভেচন এক্ট, ১৯৮১) |
| এফ ডি (FD) | বন বিভাগ (ফৰেষ্ট ডিপাৰ্টমেণ্ট) |
| এফ আৰ এ (FRA) | বন অধিকাৰ আইন (ফৰেষ্ট ৰাইট্‌ছ এক্ট) |
| এফ ভি (FV) | বনগাঁও (ফৰেষ্ট ভিলেজ) |
| এফ ৱাই পি (FYP) | পঞ্চবাৰ্ষিক পৰিকল্পনা (ফাইভ য়েৰ্ছ প্লেন) |
| জি এইচ জি (GHG) | সেউজ গৃহ গেছ (গ্ৰীণ হাউছ গেছ) |
| জি অ' আই (GoI) | ভাৰত চৰকাৰ (গভৰ্ণমেণ্ট অব্ ইণ্ডিয়া) |
| জি পি (GP) | গাঁও পঞ্চায়ত |
| এইচ এ (Ha) | হেক্টৰ |
| আই আই ই (IIE) | ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান (ইণ্ডিয়ান ইনষ্টিটিউট অব্ এণ্ট্ৰ'প্ৰিনিঅ'ৰশ্বিপ) |
| জে এফ এম চি (JFMC) | যৌথ বন প্ৰবন্ধন সমিতি (জইণ্ট ফৰেষ্ট মেনেজমেণ্ট কমিটী) |
| এন টি এফ পি (NTFP) | কাঠ ভিন্ন বন উৎপাদন (নন টিম্বাৰ ফৰেষ্টে প্ৰডিউচ) |
| অ' বি চি (OBC) | অন্যান্য পিছপৰা শ্ৰেণী (আদাৰ বেকৱাৰ্ড ক্লাছেছ) |
| পি এইচ চি (PHC) | প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ (প্ৰাইমেৰী হেল্‌থ চেণ্টাৰ) |
| পি এম ইউ (PMU) | প্ৰকল্প নিৰীক্ষণ গোট (প্ৰজেক্ট মনিটৰিং ইউনিট) |
| পি আৰ এ (PRA) | অংশগ্ৰহণমূলক গ্ৰাম্য পৰিমাপ (পাৰ্টিচিপেটৰী ৰুৰেল এপ্ৰাইজেল) |
| এছ চি (SC) | অনুসূচিত জাতি (ছিডিউল কাষ্ট) |
| এছ ডি জি (SDG) | বহনক্ষম উন্নয়ন লক্ষ্য (ছাছটেইনেবল ডেভেলপমেণ্ট গ'ল্‌ছ) |
| এছ টি (ST) | অনুসূচিত জনজাতি (ছিডিউল ট্ৰাইব) |
| ডব্লিউ পি চি (WPC) | কৰ্মসূচী চক্ৰ (ৱৰ্কিং প্লেন চাৰ্কোল) |
| চি এছ এছ (CSS) | কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা গৃহীত আঁচনি (চেণ্ট্ৰেলি স্পনৰ্ছড স্কিম) |

# এৰাসুঁতি গাঁও পৰিৱেশ উন্নয়ন সমিতি
## গুঁইজান আঞ্চলিক, তিনিচুকীয়া বন্যপ্ৰাণী বন সংমণ্ডল

## ১০ বছৰৰ বাবে ক্ষুদ্ৰ পৰিকল্পনা
## (জীৱিকা উন্নয়ন পৰিকল্পনা)

**সূচীপত্ৰ**


| অধ্যায় | শিৰোনাম | পৃষ্ঠা নং |
|---|---|---|
| ১। | ভূমিকা | |
| ২। | গাঁৱৰ আৰ্থ-সামাজিক ৰূপৰেখা | |
| ৩। | জীৱিকাৰ সুবিধা বিশ্লেষণ | |
| ৪। | জীৱিকা উন্নয়ন পৰিকল্পনা | |
| | **পৰিশিষ্ট তালিকা**<br>জীৱিকা সৃষ্টি কাৰ্যসূচীৰ বাবে চিহ্নিত কৰা হিতাধিকাৰীসকলৰ প্ৰস্তাৱিত তালিকা ঃ<br>i) খাদ্য প্ৰক্ৰিয়াকৰণ<br>ii) চিলাই কাম | |

## ১। ভূমিকা

| | |
|---|---|
| **কম্পেল'ৰ প্ৰকল্প সম্পৰ্কে (ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট,** COMPELO) **ঃ** | অসম বন আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ প্ৰকল্প (আছাম প্ৰজেক্ট অন্ ফৰেষ্ট এণ্ড বায়'ডাইভাৰ্ছিটী কনজাৰ্ভেচন)ৰ উদ্দেশ্য হৈছে— 'নিৰ্দিষ্ট এলেকাৰ বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল জনগোষ্ঠীসমূহৰ অংশগ্ৰহণেৰে আৰু বনজ আৰু বনজবহিৰ্ভূত সম্পদৰ বহনক্ষম ব্যৱহাৰৰ জৰিয়তে তেওঁলোকৰ জীৱিকা সুনিশ্চিত কৰিবলৈ বিশেষ গুৰুত্ব আৰোপ কৰাৰ লগতে বহুমুখী সু-সংহত পৰিকল্পনাৰে অসমত স্থিতিশীল বন আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ আৰু পৰিচালনৰ ব্যৱস্থা কৰা।' প্ৰকল্পটোৰ লক্ষ্য হৈছে— 'বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল জনগোষ্ঠীসমূহৰ সহযোগত তেওঁলোকৰ জীৱিকা আৰু জৈৱ-বৈচিত্ৰ্যৰ সংৰক্ষণ আৰু স্থিতিশীল ব্যৱহাৰৰ জৰিয়তে বনাঞ্চল সংৰক্ষণ আৰু পৰিৱেশতন্ত্ৰক পুনৰুদ্ধাৰ কৰা।'<br>এই প্ৰকল্পটোলৈ আৰ্থিক অনুদান আগবঢ়াইছে এজেন্সী ফ্ৰান্সিজ ডি ডেভেলপমেণ্ট অৰ্থাৎ ফ্ৰান্স ডেভেলপমেণ্ট এজেন্সীয়ে। সহযোগ কৰিছে অসম চৰকাৰে। প্ৰকল্পটোৰ পৰিকল্পনা, ৰূপায়ণ, নিৰীক্ষণ, সমন্বয় আৰু ব্যৱস্থাপনাকে ধৰি সকলো কামৰ দায়িত্ব আছে আছাম প্ৰজেক্ট অন ফৰেষ্ট এণ্ড বায়'ডাইভাৰ্ছিটী কনজাৰ্ভেচন ছ'চাইটী। |
| **ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকা উন্নয়ন** | বজাৰৰ সম্ভাৱনীয়তাভিত্তিক মূল্য সংযোজনৰ জৰিয়তে জীৱিকাৰ কাম-কাজ উন্নত কৰিবলৈ প্ৰকল্পটোত উদ্যোগমূলক বিকাশ, উৎপাদিত সামগ্ৰীৰ প্ৰক্ৰিয়াকৰণৰ জৰিয়তে মূল্য সংযোজন আৰু বিপণনৰ ওপৰত গুৰুত্ব দিয়া হৈছে। জনসংখ্যা বৃদ্ধিৰ লগে লগে বনজ সম্পদ ওপৰত বৃদ্ধি পোৱা হেঁচাৰ পৰিপ্ৰেক্ষিতত এনে পদক্ষেপ জৰুৰী হৈ পৰিছে। বজাৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি বৰ্তমানে উপলব্ধ বনজ আৰু জৈৱ-বৈচিত্ৰ্য সামগ্ৰী আৰু সেৱাসমূহত মূল্য সংযোজনৰ উপায় উদ্ভাৱন কৰাটো প্ৰয়োজন হৈ পৰিছে। তদুপৰি, বনাঞ্চলভিত্তিক জীৱিকাৰ বাহিৰে জীৱিকাৰ অন্য পথ বিচাৰি উলিওৱা আৰু দক্ষতা বিকাশ পদক্ষেপৰ জৰিয়তে সম্প্ৰদায়ৰ সদস্যসকলৰ সক্ষমতা বৃদ্ধি কৰাও দৰকাৰ।<br>প্ৰকল্পটোৰ অধীনত ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকা উন্নয়নৰ কাৰ্যসূচী ৰূপায়ণৰ বাবে ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান (ইণ্ডিয়ান ইনষ্টিটিউট অব্ এণ্ট্ৰাৰপ্ৰিনিঅ'ৰশ্বিপ, আই আই ই), গুৱাহাটী আৰু ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধি (আৰ জি ভি এন), আৰু 'চেণ্টাৰ ফৰ মাইক্ৰ' ফাইনেন্স এণ্ড লাইভলিহুড' (চি এম এল)ক লৈ এখন সমিতি গঠন কৰা হৈছে। এই সমিতিখনৰ নাম দিয়া হৈছে— ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট (কনছাল্টিং ছাৰ্ভিচ ফৰ মাইক্ৰ'প্লেনিং এনহেন্সিং লাইভলিহুড অপৰ্চুনিটিজ)' চমুকৈ কম্পেল'।<br>প্ৰকল্পটোৰ নিৰ্দেশনা মতে এই ক্ষুদ্ৰ পৰিকল্পনাত অন্তৰ্ভুক্ত হৈ আছে 'গাঁও আৰু বন বিভাগৰ বিভিন্ন অভিযান... বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল সদস্যক জীৱিকাৰ ক্ষেত্ৰত সহায় কৰা আৰু স্থিতিশীল বন ব্যৱস্থাপনাক এক প্ৰসাৰিত লক্ষ্য হিচাপে গণ্য কৰা।' বন উন্নয়ন আৰু জীৱিকা উন্নয়ন উভয় লক্ষ্যকে এই প্ৰকল্পত সামৰি লোৱা হৈছে। |
| **এৰাসুঁতি ই ডি চিৰ বাবে ক্ষুদ্ৰ পৰিকল্পনা** | অসমৰ তিনিচুকীয়া জিলাত অৱস্থিত এৰাসুঁতি গাঁও ই ডি চিৰ বাবে ক্ষুদ্ৰ পৰিকল্পনা এই নথিত প্ৰকাশ কৰা হৈছে। এৰাসুঁতি গাঁও ই ডি চি তিনিচুকীয়া বন্যপ্ৰাণী বন সংমণ্ডলৰ অধীনস্থ গুঁইজান আঞ্চলিকৰ পৰিধিত অৱস্থিত। পুৰুষ আৰু মহিলাসহ সম্প্ৰদায়ৰ সকলো সদস্যৰ অংশগ্ৰহণৰ জৰিয়তে বৰ্তমান এই ক্ষুদ্ৰ পৰিকল্পনা প্ৰস্তুত কৰা হৈছে। ২০১৭ চনৰ এপ্ৰিল মাহত গুৱাহাটীৰ ইণ্ডিয়ান ইনষ্টিটিউট অব্ এণ্টাৰ প্ৰিনিয়াৰশ্বিপ (আই আই ই) বিষয়া আৰু সম্প্ৰদায়ৰ সদস্যসকলৰ দ্বাৰা অংশগ্ৰহণমূলক গ্ৰামীণ মূল্যায়নৰ ফল হিচাপেই এই নথি প্ৰস্তুত হৈছে। প্ৰকল্প নিৰ্দেশিকাৰ ভিত্তিত আই আই ইৰ দ্বাৰা ক্ষুদ্ৰ পৰিকল্পনা যুগুতোৱা হৈছে। |

## ২। গাঁৱৰ আৰ্থ-সামাজিক বিৱৰণ

| | |
|---|---|
| **অৱস্থিতি** | এৰাসুঁতি গাঁৱত বসবাস কৰা বৰ্তমান সম্প্ৰদায়ক সামৰি এৰাসুঁতি গাঁও পৰিৱেশ উন্নয়ন সমিতি গঠন কৰা হৈছে। এই ই ডি চিত সামৰি লোৱা এলেকা অসমৰ তিনিচুকীয়া জিলাৰ গুঁইজান ভি ডি চিৰ অধীনত পৰে।<br>পৰিশিষ্ট-Iত গাঁৱৰ মানচিত্ৰ দিয়া হৈছে। |
| **বন আঞ্চলিক, সংমণ্ডল, প্ৰতিষ্ঠাৰ বছৰ আদি সম্পৰ্কীয় মূল তথ্য** | **তালিকা-ক ঃ ই ডি চি-ৰ মূল তথ্য** |

| | |
|---|---|
| **ই ডি চিৰ নাম** | এৰাসুঁতি গাঁও ই ডি চি |
| **ৰাজহ গাঁৱৰ নাম** | **এৰাসুঁতি গাঁও** |
| **গাঁও পঞ্চায়ত/ভিচিডিচিৰ নাম** | গুঁইজান |
| **জিলা** | তিনিচুকীয়া |
| **বন সংমণ্ডল** | তিনিচুকীয়া বন্যপ্ৰাণী সংমণ্ডল |
| **বন আঞ্চলিক** | গুঁইজান বন্যপ্ৰাণী আঞ্চলিক |
| **বন লাট** | নাই |
| **গঠনৰ বছৰ** | ২০১৫ |
| **জে এফ এম চিৰ চাৰিসীমা** | তলত উল্লেখ কৰা হ'ল ঃ<br>উত্তৰে ঃ ডিব্ৰু-চৈখোৱা এন পি<br>দক্ষিণে ঃ লোহিত নদী<br>পশ্চিম ঃ ডিব্ৰু-চৈখোৱা আৰু লোহিত নদী<br>পূবে ঃ ডিব্ৰু-চৈখোৱা আৰু লোহিত নদী। |

**উৎস ঃ** ই ডি চিৰ নথি আৰু ২০১৭ চনৰ মাৰ্চ মাহত অনুষ্ঠিত পি আৰ এ অনুশীলনৰ সময়ত হোৱা আলোচনা।

অতিৰিক্ত বিৱৰণ নথি--Iৰ, তালিকা-১ত প্ৰদান কৰা হৈছে (পৰিশিষ্টত সন্নিৱিষ্ট)।

<table>
<tr>
<td>কাৰ্যকৰী আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৱৰণ</td>
<td>ই ডি চিৰ কাৰ্যকৰী আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৱৰণ তলৰ তালিকাত উল্লেখ কৰা হ'ল।<br>তালিকা-খ ঃ কাৰ্যকৰী আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৱৰণ
<table>
<tr><td>সভাপতিৰ নাম</td><td>শংকৰ দাস</td></tr>
<tr><td>সচিবৰ নাম</td><td>শ্ৰীমতী শম্পা দে</td></tr>
<tr><td>কোষাধ্যক্ষৰ নাম</td><td>নাই</td></tr>
<tr><td rowspan="3">কাৰ্যকৰী সমিতিৰ সদস্য সংখ্যা</td><td>পুৰুষ ঃ ১০</td></tr>
<tr><td>মহিলা ঃ ৪</td></tr>
<tr><td>মুঠ ঃ ১৪</td></tr>
<tr><td>সাধাৰণ সমিতিৰ সদস্য সংখ্যা</td><td>১২০ (প্ৰতিটো পৰিয়ালৰ একোজনকৈ প্ৰাপ্তবয়স্ক সদস্যক ইয়াত প্ৰতিনিধি হিচাপে ৰখা হৈছে)</td></tr>
</table>
সূত্ৰ ঃ ই ডি চি-ৰ নথি</td>
</tr>
<tr>
<td>পৰিয়াল আৰু জনগাঁথনি</td>
<td>গাঁওখনত পৰিয়ালৰ সংখ্যা হৈছে ১২০। মহিলা মুৰব্বীৰ থকা এটা পৰিয়ালো নাই। মুঠ জনসংখ্যা ৫৪০জন। ইয়াৰে ৩৪০জন পুৰুষ আৰু ২০০গৰাকী মহিলা। এলেকাত প্ৰধান জাতি হিচাপে অনুসূচিত জনজাতিৰেই প্ৰাধান্য আৰু তেওঁলোক জাতিগতভাৱে বাঙালী (মাছমৰীয়া) সম্প্ৰদায়ৰ।<br>তথ্য-(I)ৰ তালিকা-২ত অধিক তথ্য দ্ৰষ্টব্য।<br>ইয়াৰ পৰা জনা যায় যে ঃ<br>১) প্ৰতিটো পৰিয়ালৰ গড় সদস্য সংখ্যা হৈছে ৪.৫ (১২০টা পৰিয়ালৰ)<br>২) গাঁওখনৰ লিংগ অনুপাত হৈছে প্ৰতি ১০০০জন পুৰুষৰ বিপৰীতে মহিলাৰ সংখ্যা ৫৮৮।</td>
</tr>
<tr>
<td>শিক্ষা আৰু দক্ষতা উন্নয়ন</td>
<td>জনসংখ্যাৰ ৪৪ শতাংশৰো অধিক (১২০টা গৃহস্থ পৰিয়াল) লোক সাক্ষৰ। সম্প্ৰদায়ৰ অধিকাংশ সদস্যই স্কুল পৰ্যায়ৰ শিক্ষা লাভ কৰিছে। আনহাতে গাঁওখনত স্নাতক বা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা কোনো সদস্য নাই।<br><br>আনুষ্ঠানিক আৰু অনানুষ্ঠানিক— এই দুই ধৰণৰ জীৱিকা উন্নয়ন কাৰ্যসূচী গাঁওবাসীয়ে গ্ৰহণ কৰি আহিছে। ই ডি চি এলেকাত অনানুষ্ঠানিক দক্ষতা উন্নয়নৰ অৰ্থ হৈছে পৰম্পৰাগত পদ্ধতিৰে গ্ৰহণ কৰা দক্ষতা। ৰাইজৰ নিম্নোক্ত ক্ষেত্ৰসমূহত দক্ষতা আছে ঃ<br>ক) মীন পালন<br>খ) কৃষি কাম<br>গ) মজুৰি শ্ৰম<br>ঘ) ৰাজমিস্ত্ৰীৰ কাম<br>ঙ) কাঠৰ কাম</td>
</tr>
</table>

| | |
|---|---|
| | ভাৰত চৰকাৰ আৰু লগতে ৰাজ্যই আৰম্ভ কৰা দক্ষতা উন্নয়ন কৰ্মসূচী ই ডি চি এলেকাত ঢুকি পোৱাগৈ নাই। গাঁওখনৰ লোক পৰম্পৰাগতভাৱে আহৰণ কৰা জীৱিকাৰ প্ৰাথমিক উপায়সমূহৰ ওপৰতে নিৰ্ভৰশীল। |
| **মাটি** | প্ৰকল্প এলেকাৰ মাটি এনে ধৰণৰ ঃ<br><br>এৰাসুঁতি ই ডি চি এলেকাত অধ্যয়ন চলাই বিভিন্ন প্ৰকাৰৰ মাটি পোৱা গৈছে। এই এলেকাত মাটি তিনি প্ৰকাৰৰ— ই ডি চি গাঁৱত মাটি বালিচহীয়া, বালি মিশ্ৰিত পলস আৰু বোকা মাটি মিশ্ৰিত পলস। মুঠ এলেকাৰ ৬২.০ শতাংশ মাটি খেতিৰ উপযুক্ত, ৮ শতাংশ মাটি খেতিৰ অনুপযুক্ত আৰু ৩০.০ শতাংশ মাটি খেতিৰ বাবে উপলব্ধ। এই এলেকাৰ মাটিক সাম্প্ৰতিক নদী উপকূলৰৰ্তী পলসুৱা মাটি (এণ্টিছল) আৰু প্ৰাচীন নদী উপকূলৰৰ্তী পলসুৱা মাটি (ইনছেপ্টিছল) হিচাপে শ্ৰেণীভুক্ত কৰিব পাৰি। |
| **পানী** | পাৰ্শ্বৰৰ্তী অৰুণাচল প্ৰদেশৰ পাহাৰৰ পৰা নামি অহা লোহিত নদী এই এলেকাৰ মাজেদি প্ৰৱাহিত হৈছে। এই নৈখন ব্ৰহ্মপুত্ৰৰেই এখন উপনৈ। লোহিত নৈখনে পূব তিব্বতৰ জায়াল চু পৰ্বত শ্ৰেণীৰ পৰা ওলাই অৰুণাচল প্ৰদেশৰ ২০০ কিলোমিটাৰ (১২০ মাইল) এলেকা অতিক্ৰম কৰি অসমৰ সমভূমিত প্ৰৱেশ কৰিছে। প্ৰচণ্ড উত্তাল আৰু খৰস্ৰোতা এই নৈখন তেজৰ নদী হিচাপে জনাজাত নৈখনত কেৱল আংশিকভাৱে ৰঙা লৌহযুক্ত মাটিৰ বৈশিষ্ট্য আছে। নৈখন মিচমি পাহাৰৰ মাজেৰে প্ৰৱাহিত হৈ ব্ৰহ্মপুত্ৰ উপত্যকাৰ শীৰ্ষ অংশ ছিয়াঙত (ব্ৰহ্মপুত্ৰ) মিলিত হৈছেহি। |
| **জলবায়ু ঃ**<br>**উষ্ণতা আৰু বৰষুণ** | ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানত গোটেই বছৰজুৰি গ্ৰীষ্ম মণ্ডলীয় মৌচুমী জলবায়ু বিৰাজমান। সমগ্ৰ ৰাজ্যখনৰ জলবায়ুৰ সৈতে একে ধৰণৰ। অঞ্চলটোৰ প্ৰধান ঋতু হৈছে গ্ৰীষ্ম, শীত আৰু বাৰিষা। গ্ৰীষ্মকালৰ বতৰ গৰম আৰু মজলীয়া আৰু শীতকালত মজলীয়া শীতল। বাৰিষাৰ বতৰত ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানত প্ৰবল বৃষ্টিপাত হয়।<br><br>ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানত এপ্ৰিল, মে' আৰু জুন মাহ জুৰি গ্ৰীষ্মকাল আৰু এই সময়ছোৱাত সৰ্বাধিক তাপমাত্ৰা ৩৪° ডিগ্ৰী চেলচিয়াছ হয়গৈ। গ্ৰীষ্মকালত সৰ্বনিম্ন তাপমাত্ৰা ২২° ডিগ্ৰী চেলচিয়াছ।<br><br>বাৰিষাৰ বতৰত ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানত প্ৰবল বৰষুণ হয়। সৰ্বাধিক বৰষুণৰ পৰিমাণ ৩০০০ মিলিমিটাৰলৈকে হয়। এই সময়ছোৱাত তাপমাত্ৰা উল্লেখযোগ্যভাৱে হ্ৰাস পায়। ডিব্ৰু-চৈখোৱা ভ্ৰমণৰ এয়াই হৈছে আটাইতকৈ ভাল সময়। অৱশ্যে এই সময়ছোৱাত আৰ্দ্ৰতাৰ পৰিমাণ উচ্চ হ'ব পাৰে। জুলাই, আগষ্ট আৰু ছেপ্টেম্বৰ মাহ হৈছে বাৰিষাৰ ঋতু।<br><br>ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানত অক্টোবৰ, নৱেম্বৰ, ডিচেম্বৰ আৰু জানুৱাৰী মাহলৈকে শীতকাল। এই সময়ছোৱাত তাপমাত্ৰা ৭০ ডিগ্ৰী চেলচিয়াছলৈকে নামি যাব পাৰে। ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণৰ বাবে এইটোৱে অত্যন্ত ভাল সময় আৰু তেতিয়া বতৰে আপোনাৰ ভ্ৰমণক অধিক প্ৰাণৱন্ত কৰাত সহায় কৰিব। |
| **বন আৰু জৈৱ-বৈচিত্ৰ্য** | ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানক বিশ্বৰ অন্যতম শ্ৰেষ্ঠ জৈৱ-বৈচিত্ৰ্য স্থান হিচাপে চিহ্নিত কৰা হৈছে। এই উদ্যানত সংৰক্ষণ কৰা হৈছে কিছুসংখ্যক অত্যন্ত বিলুপ্তপ্ৰায় প্ৰজাতি আৰু বন্যপ্ৰাণীৰ নিবাস স্থান। পৰ্যটকসকলৰ বাবে এই উদ্যানে এক মনোৰম অভিজ্ঞতা প্ৰদান কৰে। এই উদ্যান বহু প্ৰজাতিৰ পৰিভ্ৰমী চৰাইৰো বাসস্থান, যিয়ে এক নাটকীয় |

| | |
|---|---|
| | প্ৰাকৃতিক সৌন্দৰ্যময় দৃশ্যৰ সৃষ্টি কৰে। এই উদ্যান ঘাইকৈ তৃণভূমি আৰু ছেলিক্স জলাশয়ৰ আদ্ৰভূমি, অৰ্ধ-চিৰহৰিৎ আৰু ঠায়ে ঠায়ে বাঁহ আৰু বেতৰ জোপোহাসহ নানা ধৰণৰ এলেকাক লৈ গঠিত আৰু বন্যপ্ৰাণীৰ বসবাসৰ বাবে অত্যন্ত উপযুক্ত স্থান। এই উদ্যানৰ সীমাৰ উত্তৰত অৰুণাচলৰ পাহাৰ আৰু দক্ষিণত ডিব্ৰু আৰু পাটকাই পাহাৰ।<br>এই সন্দৰ্ভত অতিৰিক্ত বিৱৰণ 'বন উন্নয়ন পৰিকল্পনা'ত দিয়া হৈছে। |
| **ভূমি ব্যৱহাৰৰ ধৰণ** | গাঁৱৰ ভূমি ব্যৱহাৰৰ ধৰণ পৰিশিষ্ট-২ত বহলাই উল্লেখ কৰা হৈছে। এই পৰিশিষ্ট অনুসৰি পৰ্যবেক্ষণ কৰা কিছু গুৰুত্বপূৰ্ণ তথ্য তলত উল্লেখ কৰা হ'ল ঃ<br>ধাননি পথাৰ<br>কাঠখৰি ৰোপণ<br>ক্ষতিগ্ৰস্ত বনাঞ্চল<br>বৃক্ষাচ্ছাদিত এলেকা<br>মিশ্ৰ প্ৰজাতিৰ গছৰোপণ এলেকা<br>পথ<br>জলাশয়<br>বসতি সংস্থাপিত এলেকা<br>নদী |
| **ভূমি মালিকানাৰ ধাৰণ** | পৰিয়ালসমূহৰ ভূমি মালিকানাৰ ধৰণ অনুসৰি পৰিয়ালসমূহৰ প্ৰকাৰ **তথ্য-(I)**ৰ **তালিকা-৩**ত দিয়া হৈছে। এই সমীক্ষাৰ পৰা দেখা যায় যে ই ডি চি এলেকাৰ আটাইবোৰ পৰিয়াল উপান্ত কৃষক আৰু মাছমৰীয়া। এইবোৰৰ এটা পৰিয়ালো ক্ষুদ্ৰ, বৃহৎ বা ভূমিহীন কৃষক শ্ৰেণীভুক্ত নহয়।<br>১০০ শতাংশ পৰিয়ালেই হৈছে উপান্ত কৃষক (১২০ গৃহস্থ পৰিয়াল)। |
| **পশুধন** | গাঁওখনত পশুধনৰ মুঠ সংখ্যা ২০০২। পৰিয়ালবোৰে পালন কৰা প্ৰধান প্ৰধান পশুবোৰ হৈছে ঃ<br>গাইগৰু ঃ ৮০০<br>ছাগলী ঃ ২০০<br>হাঁহ ঃ ৫০০<br>কুকুৰা ঃ ৫০২<br>ওপৰত উল্লিখিত তথ্যৰ সবিশেষ বিৱৰণ **তথ্য-(I)**ৰ **তালিকা-৪**ত দিয়া হৈছে। |
| **গাঁৱৰ আন্তঃগাঁথনি আৰু যোগাযোগ ব্যৱস্থা** | যিকোনো জনগোষ্ঠীতে সাধাৰণ আন্তঃগাঁথনিৰ উপলব্ধতাই জীৱিকাৰ স্থিতিশীল উপায় উন্নয়নত সহায় কৰে। গাঁওখনত বৰ্তমানৰ আন্তঃগাঁথনিৰ অৱস্থা সন্তোষজনক নহয়। **তথ্য-(I)**ৰ **তালিকা-৫**ত গাঁৱৰ আন্তঃগাঁথনিৰ বৰ্তমান অৱস্থা দাঙি ধৰা হৈছে।<br>এই তালিকাৰ পৰা গাঁওখনৰ বৰ্তমানৰ আন্তঃগাঁথনি সন্দৰ্ভত তলৰ তথ্যসমূহ লাভ কৰিব পাৰি ঃ |

| | |
|---|---|
| | **বস্তুগত আন্তঃগাঁথনি ঃ** এই বসতিস্থান পকীপথ, বিদ্যুৎ, পানীযোগান, মোবাইল নেটৱৰ্ক আদি মৌলিক বস্তুগত আন্তঃগাঁথনিৰ পৰা বঞ্চিত।<br>**শিক্ষা আৰু স্বাস্থ্য সেৱা ঃ** শিক্ষাগত আৰু স্বাস্থ্য ব্যৱস্থা অত্যন্ত নগণ্য। ৰাজহুৱা পৰিবহণ উপলব্ধ যদিও সম্প্ৰদায়ৰ সদস্যসকলে আশেপাশে যাতায়াতৰ বাবে চাইকেল ব্যৱহাৰ কৰিবলগীয়া হয়।<br>**চৰকাৰী কাৰ্যালয় ঃ** চৰকাৰী কাৰ্যালয়সমূহ (যেনে— আৰক্ষী থানা, গাঁও পঞ্চায়ত কাৰ্যালয়, ৰাজহ কাৰ্যালয়, বনাঞ্চলিক কাৰ্যালয় আদি) গাঁওখনৰ পৰা যথেষ্ট দূৰৈত অৱস্থিত। নিকটৱৰ্তী এলেকা বসতি স্থানৰ পৰা নিয়মিত ৰাজহুৱা পৰিবহণৰ ব্যৱস্থা নথকাত গাঁওবাসীৰ বাবে সেইবোৰ কাৰ্যালয়লৈ যোৱাৰ ক্ষেত্ৰত অসুবিধা বহুগুণে বাঢ়িছে। পথ পৰিবহণৰ বাবে গাঁওবাসীয়ে নাৱেৰে লোহিত নদী পাৰ হ'বলগীয়া হয়।<br>**বিত্তীয় প্ৰতিষ্ঠান ঃ** বেংক আৰু ডাকঘৰৰ দৰে বিত্তীয় প্ৰতিষ্ঠানসমূহ বসতিস্থানৰ পৰা যথেষ্ট দূৰৈত অৱস্থিত। সম্প্ৰদায়ৰ সদস্যসকলৰ একাউণ্ট বহু দূৰৱৰ্তী ঠাইসমূহতহে আছে। |
| **কৃষিজাত শস্য** | গাঁৱত উৎপাদতি কৃষিজাত শস্যৰ বিতং বিৱৰণ **তথ্য-(I)ৰ তালিকা-৬ত** উল্লেখ কৰা হৈছে।<br>উক্ত তালিকাৰ পৰা পোৱা তথ্য অনুসৰি গাঁৱত উৎপাদিত প্ৰধান শস্যবোৰ তলত উল্লেখ কৰা হ'ল। |
| **ৰবি শস্য** | জাতিলাউ, জলকীয়া, আলু, বেঙেনা, বিলাহী আদি।<br>আটাইবোৰ শস্য উৎপাদন বৰষুণৰ ওপৰত নিৰ্ভৰশীল। |
| **পশুখাদ্যৰ পৰ্যাপ্ততা** | গাঁওখনত পশুখাদ্যৰ পৰ্যাপ্ততা **তথ্য-(I)ৰ তালিকা-৮ত** উল্লেখ কৰা হৈছে। উক্ত তালিকা অনুসৰি গাঁৱত পশুখাদ্যৰ প্ৰধান উৎসবোৰ হৈছে এনে ধৰণৰ ঃ<br>ক) শস্যৰ অৱশিষ্টাংশ<br>খ) পৰিয়ালৰ আবাসৰ খাদ্য<br>গ) সেউজ খাদ্য<br>ঘ) ঘাঁহ |
| **বজাৰ** | **তথ্য-(I)ৰ তালিকা-৯ত** গাঁৱৰ পৰা বিভিন্ন বজাৰৰ অৱস্থানৰ দূৰত্ব দেখুওৱা হৈছে। সম্প্ৰদায়ে অহা-যোৱা কৰা প্ৰধান বজাৰসমূহ নিম্ন ৰূপ ঃ<br>ক) গেলামাল/সুলভ মূল্যৰ দোকান ঃ গাঁৱৰ ভিতৰত<br>খ) সাপ্তাহিক/অৰ্ধ-সাপ্তাহিক বজাৰ ঃ নাৱেৰে নদী পাৰ হোৱাৰ পিছত পাঁচ কিঃ মিঃ দূৰৈৰ ৰঙাগড়াত।<br>গ) প্ৰধান বজাৰ ঃ ১৩ কিলোমিটাৰ দূৰৈৰ তিনিচুকীয়াত<br>ঘ) মাছৰ বজাৰ ঃ ২ কিলোমিটাৰ দূৰৈত গুঁইজান ঘাট। |
| **পানীৰ উৎস** | **তথ্য-(I)ৰ তালিকা-১০ত** পানীৰ উৎসসমূহ উল্লেখ কৰা হৈছে। পানীৰ প্ৰধান উৎসবোৰ আৰু পৰ্যাপ্ততা তলত উল্লেখ কৰা হ'ল ঃ<br>ক) নদী (পানীৰ পৰ্যাপ্ততা ঃ গোটেই বছৰজুৰি)<br>খ) টিউবৱেল (পানীৰ পৰ্যাপ্ততা ঃ গোটেই বছৰজুৰি) |

| | |
|---|---|
| **শক্তিৰ ব্যৱহাৰ** | গাঁৱৰ শক্তিৰ প্ৰধান উৎসবোৰ **তথ্য-(I)ৰ তালিকা-১১**ত উল্লেখ কৰা হৈছে। এই উৎসবোৰ তলত উল্লেখ কৰা হ'ল—<br>ক) কাঠখৰি ঃ নিৰ্ভৰশীল পৰিয়ালৰ সংখ্যা ১২০, উৎস ঃ বনাঞ্চল |
| **আৰ্থ-সামাজিক স্থিতি** | **সামাজিক গাঁথনি ঃ** গাঁওখনত বঙালী মাছমৰীয়া সম্প্ৰদায়ে বসবাস কৰে আৰু এই বাসিন্দাসকল অনুসূচিত জাতিৰ শ্ৰেণীভুক্ত। সমাজখনত গভীৰ সামাজিক বিভাজন নাই। মহিলাসকলৰ অৱস্থা সন্তোষজনক।<br>**অৰ্থনৈতিক অৱস্থা** ঃ অৰ্থনৈতিক অৱস্থা সন্তোষজনক নহয়। প্ৰধান জীৱিকা হৈছে কৃষি, দৈনিক মজুৰি শ্ৰম, পশুপালন, পাচলি বিক্ৰী আদি। অধিকাংশ পৰিয়ালৰ বাৰ্ষিক আয় ৬০,০০০ টকাৰ পৰা ৮০,০০০ টকালৈকে। |
| **মানচিত্ৰ** | অংশগ্ৰহণমূলক (পি আৰ এ) অনুশীলনৰ ভিত্তিত প্ৰস্তুত কৰা তলৰ মানচিত্ৰসমূহ পৰিশিষ্ট-I-ত দিয়া হৈছে।<br>* গাঁৱৰ মানচিত্ৰ (পি আৰ এ-ত অংশগ্ৰহণ কৰা সদস্যসকলৰ নাম আৰু সবিশেষ তথ্য)<br>* গাঁৱৰ সামাজিক মানচিত্ৰ (পি আৰ এ অংশগ্ৰহণ কৰা সদস্যৰ নাম আৰু সবিশেষ তথ্য)<br>* গাঁৱৰ সম্পদ মানচিত্ৰ (পি আৰ এ অনুশীলনৰ সদস্যৰ নাম আৰু সবিশেষ তথ্য) |

## ৩। জীৱিকা সম্পদ বিশ্লেষণ

তলত উল্লেখ কৰা মানৱ ভিত্তিত জীৱিকাৰ উপায় সম্পৰ্কীয় ৰূপৰেখাৰ বিশ্লেষণ তলত উল্লেখ কৰা হ'ল ঃ

* জীৱিকা সম্পদ
* জীৱিকাৰ পৰিপ্ৰেক্ষিত
* সম্ভাৱনীয় জীৱিকা আৰু অগ্ৰাধিকাৰ স্থানাংক

ডি এফ ডি আইৰ (ডিপাৰ্টমেণ্ট অৱ্ ফাণ্ডিং ফৰ ইণ্টাৰনেচনেল ডেভেলপমেণ্ট)ৰ স্থিতিশীল জীৱিকা ৰূপৰেখাৰ ভিত্তিত পি আৰ এ অনুশীলনৰ সময়ত এৰাসুঁতি ই ডি চিৰ জীৱিকাৰ পৰিস্থিতি বিশ্লেষণ কৰা হৈছে। ই ডি চিৰ বৰ্তমান জীৱিকা পৰিস্থিতি নিম্নোক্ত বিষয়সমূহৰ ভিত্তিত চিহ্নিত কৰা হৈছে ঃ

* প্ৰাকৃতিক সম্পদ
* বস্তুগত সম্পদ
* সামাজিক সম্পদ
* মানৱ সম্পদ
* বিত্তীয় মূলধন

## ৪। প্ৰাকৃতিক সম্পদ

অধিকাংশ লোক কাঠখৰি, সেউজ পশুখাদ্য, কাঠ আদিৰ বাবে বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল। কৃষিৰ উদ্দেশ্যে আৰু পশুপালনৰ বাবে গাঁওবাসীয়ে নদীৰ পানী ব্যৱহাৰ কৰে।

(অধিক তথ্যৰ বাবে এফ ডি পিৰ **তালিকা ৩, তালিকা ১০, ১১** দ্ৰষ্টব্য)

## ৫। বস্তুগত মূলধন

এৰাসুঁতি গাঁও ই ডি চিৰ অধিকাংশ পৰিয়াল কৃষি আৰু মাছমৰা কামত জড়িত। এই আটাইবোৰ পৰিয়াল উপান্ত কৃষক আৰু তেওঁলোকৰ কৃষি মাটিৰ পৰিমাণ প্ৰতি পৰিয়াল হিচাপে ২ হেক্টৰতকৈও কম। ভূমি মালিকানাৰ বিতং তথ্য **পৰিশিষ্ট-৬ত** তালিকা-৩ত দিয়া হৈছে।

গাঁওখনত ৪টা অৰ্ধ-পকী আৱাস, ১১৬টা কেঁচা আৱাস আছে আৰু কোনো পকী আৱাস নাই। শক্তিৰ ব্যৱহাৰৰ বিভিন্ন উৎস যেনে জৈৱ বস্তু, কেৰাচিন, বিদ্যুৎ, এল পি জি আৰু সৌৰশক্তিৰ ভিতৰত গাঁওবাসী পৰিয়ালৰ আৰু অন্যান্য ব্যৱহাৰৰ কাৰণে কাঠখৰি আৰু সৌৰশক্তিৰ ওপৰতে নিৰ্ভৰশীল। কোনো পৰিয়ালৰেই এল পি জি সংযোগ নাই আৰু যোগানৰ অৱস্থাও অত্যন্ত শোচনীয় (দ্ৰষ্টব্য— তালিকা-১০, ১১)

ই ডি চি গাঁৱৰ ভিতৰত মাত্ৰ এখন নিম্ন প্ৰাথমিক বিদ্যালয় আছে আৰু আন কোনো শিক্ষা প্ৰতিষ্ঠান নাই। গাঁওবাসীয়ে শিক্ষাগত আৰু অন্যান্য দৈনিক কাম-কাজৰ বাবে নাৱেৰে নদী পাৰ হৈ ২ কিলোমিটাৰ দূৰৈৰ গুঁইজানলৈ যাবলগীয়া হয় (দ্ৰষ্টব্য তালিকা ৫)।

পানীৰ উৎসৰ ক্ষেত্ৰত গৃহস্থ পৰিয়ালবোৰ নদীৰ পানীৰ ওপৰত নিৰ্ভৰশীল আৰু টিউবৱেলৰ ব্যৱস্থাও আছে।

## ৬। সামাজিক মূলধন

গাঁওবাসী সম্প্ৰতি ই ডি চিৰ কাম-কাজত জড়িত হোৱাৰ চেষ্টা চলাই আছে। তেওঁলোকৰ ভূমিকা, কাম-কাজ আৰু তেওঁলোক যে নিৰ্দিষ্ট সুযোগ-সুবিধা পাবলৈ গৈ আছে সেই সম্পৰ্কে অধিক সজাগতা সৃষ্টি কৰা আৱশ্যক।

ই ডি চি এলেকাৰ মহিলাসকল আত্মসহায়ক গোট বা অন্যান্য গোট গঠনৰ বিষয়ে অজ্ঞ। সামাজিক সভা আদি অনুষ্ঠিত কৰাৰ বাবে গাঁওবাসীয়ে নিম্ন প্ৰাথমিক বিদ্যালয় বা মন্দিৰসমূহক ব্যৱহাৰ কৰে।

ই ডি চিৰ মুঠ জনসংখ্যা ৩৪ শতাংশ শিক্ষিত আৰু বাকীসকল নিৰক্ষৰ (দ্ৰষ্টব্য তালিকা ৩.৩)

## ৭। বিত্তীয় সম্পদ

আওহতীয়া এলেকাৰ মানুহলৈ বিত্তীয় সেৱা আগবঢ়াবলৈ ই ডি চিৰ ভিতৰত বা ইয়াৰ নিকটৱৰ্তী এলেকাত কোনো বাণিজ্যিক বা আঞ্চলিক গ্ৰামীণ বেংকৰ শাখা স্থাপন কৰা হোৱা নাই। অৱশ্যে গাঁওবাসীয়ে যেতিয়া প্ৰয়োজন হয় তেতিয়া স্থানীয় ঋণদাতা গোট অথবা আত্মীয়বৰ্গৰ পৰা ঋণ লয়। বাণিজ্যিক বেংকসমূহত অতি নগণ্যসংখ্যক লোকৰহে একাউণ্ট আছে। এইবোৰ বেংক দূৰৱৰ্তী ঠাইত হোৱা বাবে আৰু তীব্ৰ বিত্তীয় নাটনিৰ কাৰণে তেওঁলোকে বেংক একাউণ্টবোৰ নিয়মিত চলাই যোৱাত সমস্যাৰ সন্মুখীন হৈছে। বিত্তীয় অন্তৰ্ভুক্তিৰ উদ্যোগৰ জৰিয়তে তেওঁলোক যে লাভৱান হ'ব সেই বিষয়েও গাঁওবাসী সচেতন নহয়।

নিম্নোক্ত মানৰ ভিত্তিত এৰাসুঁতি গাঁও ই ডি চিৰ জীৱিকাৰ কাম-কাজবোৰ চিহ্নিত কৰা হৈছে ঃ

ক) ই ডি চিৰ মুঠ উপাৰ্জনত নিৰ্দিষ্ট জীৱিকা কাম-কাজৰ অৱিহণা

খ) বিশেষ জীৱিকা কাৰ্যত উপাৰ্জনকাৰী গোটৰ জৰিতৰ শতাংশ হাৰ

গ) সম্ভাৱনাময় জীৱিকাৰ উপায়ৰ অগ্ৰাধিকাৰ স্থানাংক

## ৭। পি আৰ এ অনুশীলনৰ জৰিয়তে অগ্ৰাধিকাৰ স্থানাংক (ৰেংকিং)

<table>
<tr><td>পি আৰ এ অনুশীলন</td><td>গুৱাহাটীৰ আই আই ইৰ দলে এৰাসুঁতি গাঁৱত পি আৰ এ অনুশীলন সম্পন্ন কৰে। ইয়াৰ বিৱৰণ তলত উল্লেখ কৰা হ'ল ঃ<br>তাৰিখ ঃ ২৭ এপ্ৰিল, ২০১৭<br>স্থান ঃ গাঁৱৰ ৰাজহুৱা সভাঘৰ, এৰাসুঁতি গাঁও<br>উপস্থিত লোকৰ সংখ্যা ঃ ৪৫<br>উপস্থিত থাকে ঃ ই ডি চিৰ বিষয়ববীয়াসকল, গাঁওবুঢ়া, সম্প্ৰদায়ৰ সদস্যসকল, বন বিভাগৰ কৰ্মী আদি</td></tr>
<tr><td>পি আৰ এৰ উদ্দেশ্য</td><td>বৰ্তমান পৰিয়ালসমূহৰ অৱস্থা সম্পৰ্কে অধ্যয়ন আৰু সম্প্ৰদায়ৰ জীৱিকা উন্নয়ন আৰু বনাঞ্চল উন্নয়নৰ কাৰণে অন্যান্য প্ৰাথমিক তথ্য সংগ্ৰহ কৰাই আছিল এই অনুশীলনৰ উদ্দেশ্য।</td></tr>
<tr><td>পি আৰ এৰ ফলাফল আৰু ব্যৱহাৰ কৰা আহিলা</td><td>বিভিন্ন আহিলা ব্যৱহাৰ কৰা হৈছে আৰু ফলাফল সংগ্ৰহ কৰা হৈছে। এইবোৰৰ ভিতৰত আছে ঃ<br>সামাজিক মানচিত্ৰায়ন (মেপিং)<br>সম্পদৰ স্থানাংক নিৰ্দ্ধাৰণ (ৰেংকিং)<br>সময়কালীন সমীক্ষা<br>জীৱিকাৰ ঋতুকালীনতা<br>ভেন ডায়েগ্ৰাম<br>চাপাটি ডায়েগ্ৰাম<br>(পৰিশিষ্ট-৩ত ওপৰৰ বিষয়বোৰ সম্পৰ্কে বিতং তথ্য আগবঢ়োৱা হৈছে।</td></tr>
<tr><td>স্থানাংক (ৰেংকিং)</td><td>নিম্নোক্ত বিষয়ত স্থানাংক নিৰ্দ্ধাৰণ কৰা হৈছে ঃ<br>* প্ৰাৰম্ভিক কাম-কাজ (ই পি এ)<br>* জীৱিকা আৰু দক্ষতা উন্নয়ন<br>ওপৰৰ বিষয়বোৰ পৰিশিষ্ট-৩ত বিতংভাৱে উল্লেখ কৰা হৈছে। এইবোৰ তথ্য হৈছে এনে ধৰণৰ ঃ<br>ই পি এ-ৰ স্থানাংক
<table>
<tr><th>স্থানাংক</th><th>স্থানাংক অনুসৰি গাঁৱৰ ইপিএ</th><th>বিতং বিৱৰণ (পৰিশিষ্ট-৩ত অতিৰিক্ত তথ্য দিয়া হৈছে</th><th>ধনৰ সম্ভাব্য উৎস / বিভাগ</th></tr>
<tr><td>১</td><td>ৰাজহুৱা সভাঘৰ</td><td>ৰাজহুৱা সভাঘৰ নিৰ্মাণ কৰিব লাগিব</td><td>এ পি এফ বি চি/ চৰকাৰী আঁচনিসমূহ</td></tr>
<tr><td>২</td><td>খোৱাপানী</td><td>ই ডি চি এলেকাত কমেও ১০ টা টিউবৱেল স্থাপন কৰিব লাগিব</td><td>এ পি এফ বি চি/ এন আৰ ডি ডব্লিউ পি</td></tr>
<tr><td>৩</td><td>পৰ্যটক পঁজা/পৰিৱেশ পৰ্ণকুটীৰ (ইক' কটেজ)</td><td>পৰিৱেশ পৰ্যটন আৰু গাঁও পৰ্যটনক উন্নত কৰিবলৈ কমেও ১০টা পৰ্যটক পঁজা নিৰ্মাণ কৰিব লাগিব</td><td>এ পি এফ বি চি/ চৰকাৰ/অন্যান্য সংস্থা</td></tr>
</table></td></tr>
</table>

| | | | | |
|---|---|---|---|---|
| | ৪ | অনাময় | গৃহস্থ পৰিয়ালসমূহৰ বাবে শৌচাগাৰ প্ৰদান— কম ব্যয়ৰ ছেপটিক আৰু অনাময় ধৰণৰ | এন এইচ এম/এইচ এণ্ডএফ ডব্লিউ/ পি এইচ ই/এছ বি এম |
| | ৫ | স্বাস্থ্যকেন্দ্ৰ | ই ডি চি-ৰ ভিতৰ এলেকাত এটা চিকিৎসা উপকেন্দ্ৰ নিৰ্মাণ কৰিব লাগিব | পি এইচ ই/এন এইচ এম/চৰকাৰ |
| | ৬ | ৰাজহুৱা নাও | যোগাযোগ ব্যৱস্থাৰ বাবে কমেও দুখন ৰাজহুৱা নাও প্ৰদান কৰিব লাগিব | এ পি এফ বি চি/ অন্যান্য সংস্থাসমূহ/ ডি ডি এম এ |
| | ৭ | জৈৱ গেছ / গেছ ছিলিণ্ডাৰ | বনাঞ্চলত কাঠখৰিৰ ওপৰত নিৰ্ভৰতা হ্ৰাস কৰাৰ উদ্দেশ্যে ১২০টা আবাসৰ প্ৰতিটোত পি এম ইউ ৱাই আঁচনি অনুসৰি জৈৱ গেছ / গেছ ছিলিণ্ডাৰ প্ৰদান কৰিব লাগিব | এ পি এফ বি চি/গাঁও পঞ্চায়ত/ পি এম ইউ ৱাই আঁচনি |
| | ৮ | ভূমিক্ষয় সুৰক্ষা | এৰাসুঁতি গাঁৱৰ সীমাত ভূমিক্ষয় প্ৰতিৰোধ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব | জলসম্পদ/ডি ডি এম এ/পি এম এণ্ড আৰ ডি |
| | ৯ | আদৰ্শ গাঁও (মডেল ভিলেজ) | আদৰ্শ গাঁও | পি এণ্ড আৰ ডি |
| | ১০ | গাঁৱৰ পথ | এৰাসুঁতি গাঁৱৰ ভিতৰত প্ৰতিটো ২ কিঃ মিঃ দীৰ্ঘৰ কমেও ৪টা পথ নিৰ্মাণ কৰিব লাগিব | পঞ্চায়ত/এ পি এফ বি চি |
| | ১১ | উচ্চ ভূমি | এৰাসুঁতি গাঁৱৰ ভিতৰত কমেও দুডোখৰ ঠাইত উচ্চ ভূমি নিৰ্মাণ কৰিব লাগিব | পঞ্চায়ত |
| | ১২ | বিদ্যুৎ | ১২০ পৰিয়ালৰ প্ৰতিটোত সৌৰ ব্যৱস্থাসহ বৈদ্যুতিকৰণ কৰিব লাগিব | ডি ডি ইউ জি জে ৱাই/অন্যান্য সংস্থা |
| | ১৩ | সৌৰ বেৰ | মানুহ-হাতীৰ সংঘাত ৰোধৰ বাবে ডিব্ৰু-চৈখোৱাৰ ৩ সীমাত | এ পি এফ বি চি/অন্যান্য সংস্থা |
| | ১৪ | ক্ৰীড়া সামগ্ৰী | ক্ৰীড়া আৰু সংস্কৃতিৰ ক্ষেত্ৰত যুৱ সমাজক উদ্‌গনি | এ পি এফ বি চি/অন্যান্য সংস্থা |
| | ১৫ | অনুষ্ঠানৰ বাবে বাচন | উপাৰ্জন বৃদ্ধিৰ বাবে চকী, টেবুল আদিসহ অনুষ্ঠানৰ বাচন আদি সংগ্ৰহ | এ পি এফ বি চি/অন্যান্য সংস্থা |

| | |
|---|---|
| | * জীৱিকা কাম-কাজ উন্নত কৰাৰ বাবে ই পি এৰ নিধিৰ পৰা দুই লাখ টকা কাৰ্যকৰী মূলধনৰ ব্যৱস্থা কৰিব লাগিব।<br>* ই ডি চিৰ সীমাৰ ভিতৰত যন্ত্ৰপাতি, সা-সঁজুলি আদি স্থাপন আৰু ব্যৱস্থাসহ কম ব্যয়েৰে ই ডি চিৰ কাৰ্যালয় তথা ৰাজহুৱা কৰ্মগৃহ নিৰ্মাণ কৰিব লাগিব।<br>**জীৱিকা আৰু দক্ষতা উন্নয়নৰ স্থানাংক**<br>১। পশুধন<br>২। মজুৰি শ্ৰম<br>৩। কৃষিকাৰ্য<br>৪। পশুপালন<br>৫। বিজ্ঞানসন্মত পদ্ধতিত মাছধৰা আৰু মূল্য সংযোজন |
| **জীৱিকাৰ সুযোগ-সুবিধা** | জীৱিকাৰ সুযোগসমূহ তলত উল্লেখ কৰা হ'ল ঃ<br>কৃষি<br>পশুধন<br>দক্ষতা উন্নয়ন<br>ঋণৰ ব্যৱস্থা<br>ওপৰত উল্লিখিত বিষয়বোৰ সম্পৰ্কে অধিক আলোচনা তলত উল্লেখ কৰা হৈছে। |
| **কৃষি আৰু উদ্যান শস্য** | কৃষি আৰু উদ্যানশস্যৰ ক্ষেত্ৰত সুযোগ সম্পৰ্কে তথ্যসমূহ নথি-২ৰ **তালিকা-১২**ত পাব ঃ<br>**প্ৰধান প্ৰধান বাধাবোৰ ঃ**<br>ক) সাৰ আৰু কেঁচুসাৰৰ অতি নগণ্য ব্যৱহাৰ।<br>খ) কৃষিভূমিৰ অপৰ্যাপ্ততাৰ কাৰণে জলসিঞ্চন ব্যৱস্থাৰ অভাৱ।<br>গ) কৃষি আন্তঃগাঁথনিৰ অভাৱ।<br>**সুযোগসমূহ ঃ**<br>ক) যথোপযুক্ত আৰু নিয়ন্ত্ৰিতভাৱে সাৰৰ ব্যৱহাৰ।<br>খ) নতুন আৰু আধুনিক কৃষি পদ্ধতিৰ সূচনা<br>গ) সুসংগঠিত প্ৰশিক্ষণ কাৰ্যসূচী |
| **পশুধন** | পশুধন পালন-প্ৰজননৰ সুযোগ সম্পৰ্কে অধিক তথ্য **তালিকা-১৩**ত দিয়া হৈছে।<br>ক) শোচনীয় বিত্তীয় অৱস্থাৰ কাৰণে বজাৰৰ পৰা পশুখাদ্য ক্ৰয়ৰ অক্ষমতা<br>খ) গছৰ পাত আদি পশুখাদ্য, শস্যৰ অৱশিষ্টাংশ মাত্ৰ ৩-৬ মাহৰ বাবে চলে। গোটেই বছৰধৰি সেউজ পশুখাদ্য পাবলৈ নাই।<br>গ) কোনো পশু চিকিৎসা কেন্দ্ৰ নাই।<br>ঘ) যথোপযুক্তভাৱে পশুপালনৰ বিষয়ে জ্ঞানৰ অভাৱ।<br>**সুযোগসমূহ ঃ**<br>ক) বজাৰৰ পৰ্যবেক্ষণমতে পশুধন বিক্ৰীৰ জৰিয়তে উপাৰ্জন বৃদ্ধি হয়। সেয়েহে পশুধন পালন কাৰ্যৰ প্ৰসাৰে জীৱন যাত্ৰাৰ মানলৈ পৰিৱৰ্তন আনিব।<br>খ) ই ডি চিক পশুধন কেন্দ্ৰ বা পশুধনজাত উৎপাদনৰ বিক্ৰী কেন্দ্ৰলৈ পৰিণত কৰিব পাৰি। কাৰণ ই ডি চি এলেকাৰ গাঁওবাসীৰ অধিকাংশ পশুপালন কাৰ্যত জড়িত। |

| | |
|---|---|
| | পৰামৰ্শত দিয়া কৰ্মসূচীসমূহ ঃ<br>ক) খাদ্য প্ৰক্ৰিয়াকৰণ<br>খ) চিলাই কাম<br>গ) ইলেকট্ৰিচিয়ান, পানীৰ পাইপ আদিৰ কাম কৰা মিস্ত্ৰী, পৰ্যটন গাইড, কাঠমিস্ত্ৰী, ৰাজমিস্ত্ৰী, গাড়ী চলোৱা, নাৰ্ছিং।<br>ঘ) পেকেজিং/নিৰাপত্তা প্ৰহৰী (ছিকিউৰিটি গাৰ্ড), সামগ্ৰী সৰবৰাহ আদি দক্ষ শ্ৰমৰ জৰিয়তে শিক্ষাগত অৰ্হতা থকা যুৱকসকলে উপাৰ্জন কৰিব পাৰে। |
| **বিশেষীকৃত দক্ষতা** | দক্ষতা উন্নয়ন আৰু ইয়াৰ সুযোগ সম্পৰ্কীয় তথ্য নথি-২ৰ **তাৰিকা-১৫**ত দিয়া হৈছে।<br>**প্ৰধান বাধাসমূহ ঃ**<br>ক) বিবিধ প্ৰকাৰ উৎপাদনৰ অভাৱ<br>খ) উৎপাদিত সামগ্ৰীৰ গুণগত মান সম্পৰ্কে গৱেষণাৰ অভাৱ<br>গ) টি কিউ এম কলাকৌশলৰ অভাৱ<br>**সুযোগসমূহ ঃ**<br>ক) ভাল যোগাযোগ ব্যৱস্থা প্ৰদান<br>খ) অৰ্ধ-দক্ষ বা পৰম্পৰাগতভাৱে দক্ষ গাঁওবাসীক আধুনিক প্ৰযুক্তি আৰু পদ্ধতিসমূহ প্ৰদানৰ জৰিয়তে তেওঁলোকৰ দক্ষতা উন্নত কৰা<br>গ) সংশ্লিষ্ট উৎসৰ পৰা বিত্তীয় সাহায্য প্ৰদান।<br>**পৰামৰ্শ দিয়া কৰ্মসূচীসমূহ ঃ**<br>* আধুনিক যন্ত্ৰপাতি, সা-সঁজুলিৰ ব্যৱহাৰ সম্পৰ্কে প্ৰশিক্ষণ<br>* গাঁওবাসীক আধুনিক প্ৰযুক্তি প্ৰদান<br>* দক্ষতাৰ উন্নতকৰণ আৰু নতুন উৎপাদনৰ বিকাশ আৰু বিবিধ প্ৰকাৰৰ উৎপাদনৰ বাবে প্ৰশিক্ষণ<br>* কেঁচামালৰ ভঁৰাল স্থাপন<br>* প্ৰাতিষ্ঠানিক ক্ৰেতাৰ সৈতে উৎপাদিত সামগ্ৰী বৃহৎ পৰিমাণে ক্ৰয়ৰ ব্যৱস্থা প্ৰদান |
| **ঋণৰ সুবিধা** | এই সন্দৰ্ভত নথি-২ৰ **তালিকা-১৬**ত আলোচনা কৰা হৈছে।<br>**প্ৰধান বাধাসমূহ আৰু ইয়াৰ কাৰণবোৰ ঃ**<br>ক) আনুষ্ঠানিক বিত্তীয় সেৱা ব্যৱস্থাৰ পৰা বাহিৰত।<br>খ) অনানুষ্ঠানিক ঋণদাতা বা ঋণদাতা গোটৰ দ্বাৰা অতিৰিক্ত হাৰত সুত ধাৰ্য<br>**সুযোগসমূহ ঃ**<br>ক) সম্প্ৰদায়ৰ মাজত আত্মসহায়ক গোট/জে এল জি গঠন আৰু ক্ষুদ্ৰ বিত্তীয় সংস্থাসহ বিত্তীয় প্ৰতিষ্ঠানসমূহৰ লগত সেইবোৰৰ সংযোগ সাধন।<br>খ) ৰাইজে যাতে উপলব্ধ উৎসবোৰৰ পৰা নিজা উদ্যোগতে সেৱাসমূহৰ সুবিধা ল'ব পাৰে তাৰবাবে বিত্তীয় সেৱাসমূহৰ বিষয়ে পৰ্যাপ্ত সজাগতা গঢ়ি তোলা।<br>গ) আধুনিক সা-সঁজুলি (ট্ৰেক্টৰ আদি)ৰ বাবে ঋণৰ সুবিধা প্ৰদান।<br>**পৰামৰ্শ হিচাপে আগবঢ়োৱা কৰ্মসূচী ঃ**<br>ক) বিত্তীয় অন্তৰ্ভুক্তি সম্পৰ্কে কৰ্মসূচী। |

| | |
|---|---|
| **কৌশলগত হস্তক্ষেপ** | ওপৰত পৰামৰ্শ হিচাপে আগবঢ়োৱা কৰ্মসূচীসমূহৰ ভিত্তিত নিম্নোক্ত বিষয়সমূহক জীৱিকা উন্নয়ন পৰিকল্পনাৰ বাবে কৌশলগত হস্তক্ষেপ হিচাপে গণ্য কৰিব পাৰি ঃ<br>**১) পশুধন** ঃ গৰু-ম'হ পালন, ছাগলী পালন, হাঁহ-কুকুৰা পালন, গাহৰি পালন।<br>**২) বিশেষ দক্ষতা** ঃ আধুনিক যন্ত্ৰপাতি আৰু সা-সুঁজলি ব্যৱহাৰ সম্পৰ্কে প্ৰশিক্ষণ, গাঁওবাসীক আধুনিক প্ৰযুক্তি প্ৰদান, দক্ষতা উন্নতকৰণ আৰু নতুনবিধৰ সামগ্ৰী উৎপাদন আৰু বহুমুখী সামগ্ৰী উৎপাদনৰ সম্পৰ্কে প্ৰশিক্ষণ, কেঁচামালৰ ভঁৰাল স্থাপন, উৎপাদিত সামগ্ৰী বৃহৎ পৰিমাণে বিক্ৰীৰ বাবে প্ৰাতিষ্ঠানিক ক্ৰেতাৰ সৈতে ব্যৱস্থা গ্ৰহণ।<br>**৩) ঋণৰ ব্যৱস্থা** ঃ নিকটৱৰ্তী এলেকাত আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন। |

## ৯। জীৱিকা উন্নয়ন পৰিকল্পনা

| | |
|---|---|
| **উপাৰ্জন বৃদ্ধিৰ কাম-কাজ** | গাঁৱত প্ৰধান উপাৰ্জন বৃদ্ধিৰ কাম-কাজবোৰ হ'ল ঃ<br>**কৃষিখণ্ড ঃ**<br>১) পশুধন<br>২) কৃষিপাম<br>৩) মজুৰি শ্ৰম<br>**কৃষি বহিৰ্ভূত খণ্ড ঃ**<br>১) বয়ন<br>২) ৰাজমিস্ত্ৰীৰ কাম<br>৩) কাঠৰ কাম |
| **আত্মসহায়ক গোটৰ কাম-কাজ** | গাঁওখনৰ আত্মসহায়ক গোটবোৰে তলৰ কৰ্মসূচী সম্পৰ্কে পৰিকল্পনা কৰিব পাৰে ঃ<br>১) সজাগতা সৃষ্টি<br>২) গোট গঠন<br>৩) সমূহীয়াভাৱে জীৱিকাৰ কাম-কাজত গাঁওবাসীক চামিলকৰণ |
| **শিক্ষামূলক ভ্ৰমণ** | নিম্নোক্ত শিক্ষামূলক ভ্ৰমণৰ পৰিকল্পনা কৰা হৈছে ঃ<br>১) শিক্ষামূলক ভ্ৰমণৰ আৱশ্যক হোৱা নাই<br>**উৎস** ঃ নথি-৪ৰ **তালিকা-৩৪**ত। |
| **সংপৃক্তকৰণ** | ভাৰত চৰকাৰৰ তলৰ আঁচনিসমূহৰ সৈতে পৰিকল্পনা কৰা কাৰ্যব্যৱস্থাসমূহ সংপৃক্ত কৰিব পাৰি।<br>ক) মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চয়তা আঁচনি— গ্ৰামীণ নিয়োগৰ বাবে<br>খ) ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা (RKVY)- কৃষি আৰু কৃষিজাত উন্নয়নৰ বাবে<br>গ) ৰাষ্ট্ৰীয় কৃষি সিঞ্চন যোজনা (RKSY)-জলসিঞ্চন আৰু জলবিভাজিকা উন্নয়নৰ বাবে<br>ঘ) ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযান<br>ঙ) দক্ষতা উন্নয়ন আঁচনি<br>চ) উপযুক্ত হিচাপে বিবেচিত গাঁও উন্নয়ন আৰু জীৱিকা উন্নয়নৰ বাবে অন্যান্য আঁচনি<br>ওপৰত উল্লেখ কৰা সম্পৃক্তকৰণে বৰ্তমানৰ পৰিকল্পনাসমূহক সহায় কৰাৰ উপৰি ৰূপায়ণৰ সহায় কৰাৰ উপৰি ৰূপায়ণৰ পিছৰ পৰ্যায়ৰ পৰিকল্পিত কাম-কাজতো সহায় কৰিব। |

## ১০। এৰাসুঁতি গাঁও ই ডি চিৰ কৰ্ম পৰিকল্পনা (ক) (প্ৰাৰম্ভিক কাম-কাজ)

| ক্ৰঃ নং | বিষয় | গোট | গোটৰ ব্যয় | মুঠ | মন্তব্য |
|---|---|---|---|---|---|
| ১ | ই ডি চি-ৰ ভিতৰত ঘৰুৱা পৰিৱেশৰ দৰে থকাৰ বাবে পৰিৱেশ কুটীৰ নিৰ্মাণ | ৫ | ৫ লাখ | ২৫ লাখ | ৰাজহ বৃদ্ধিৰ বাবে ই ডি চিৰ দ্বাৰা ৰক্ষণাবেক্ষণ |
| ২ | যন্ত্ৰচালিত নাও নিৰ্মাণ | ২ | ১০ লাখ | ২০ লাখ | ডি এছ এন পি-ত পৰ্যটনত ব্যৱহাৰ আৰু সম্প্ৰদায়ক উদ্ধাৰ কৰাৰ উদ্দেশ্যে |
| ৩ | চাংঘৰৰ দৰে কম ব্যয়েৰে ৰাজহুৱা সভাঘৰ নিৰ্মাণ | ১ | ১২ লাখ | ১২ লাখ | বানপানীৰ সময়ত চৰকাৰী ভঁৰাল তথা বহুমুখি কামৰ গৃহ হিচাপে আৱশ্যক |
| ৪ | **গাঁওবাসীৰ বাবে অনুষ্ঠানৰ কাৰণে বাচন আৰু অন্যান্য সামগ্ৰী** | | | | ই ডি চি-ৰ সদস্যসকলৰ ব্যক্তিগত পাৰিবাৰিক অনুষ্ঠান আৰু ৰাজহুৱা অনুষ্ঠানত ব্যৱহাৰৰ ভাৰাত দি আয় বৃদ্ধি |
| | ১। চকী | ১০০ | ০.০৪ | ০.০৪ | |
| | ২। প্লাষ্টিক টেবুল | ৩০ | ০.১০ | ০.৩০ | |
| | ৩। ৰন্ধাবঢ়াৰ বাচন | এল এছ | ০.৫০ | ০.৫০ | |
| | ৪। ত্ৰিপল | ৫ | ০.৫০ | ০.২৫ | |
| | ৫। জেনেৰেটৰ | ১ | ১.৬০ | ১.৬০ | |
| | | | | মুঠ ঃ ০.৪৭ | |
| ৫ | **সু-স্বাস্থ্য আৰু যোগসহ যুৱকসকলৰ বাবে ক্ৰীড়া সামগ্ৰী সংগ্ৰহ** | | | | যুৱ ক্ৰীড়া আৰু সংস্কৃতিৰ বাবে উদগনি প্ৰদান |
| | ১।ফুটবল | ৫ | ০.০১ | ০.০৫ | |
| | ২। ভলিবল | ৪ | ০.০০৫ | ০.০২ | |
| | ৩। কাৰ্পেট | ৪ | ০.৩০ | ০.৩০ | |
| | ৪। গেলামালৰ ছেট | ২ | ০.১০ | ০.১০ | |
| | | | | মুঠ ঃ ০.৪৭ | |
| | **সৰ্বমুঠ ঃ৬০.৫২ লাখ টকা** | | | | |

## এৰাসুঁতি গাঁও ই ডি চিৰ কৰ্ম পৰিকল্পনা (খ)

| ক্রঃ নং | বছৰ | কাম-কাজ | গোট | গোটৰ ব্যয় | পদ্ধতি | মুঠ পৰিমাণ |
|---|---|---|---|---|---|---|
| ১ | ১ম বছৰ | সজাগতা নিৰ্মাণ | ২ | ২০০০০.০০ | সজাগতা কৰ্মসূচী | ৪০০০০.০০/- |
| ২ | | দক্ষতা উন্নয়ন | ৩০ | | ৪০ দিন | ২০০০০০.০০/- |
| ৩ | | গাড়ী চলোৱা, পাইপৰ মিস্ত্রীৰ কাম, ট্যুৰিষ্ট গাইড পেকেজিং, ছিকিউৰিটি গাৰ্ডসহ দক্ষতা উন্নয়ন কৰ্মসূচী (এছ ডি পি) | ৩০ | | ৪০ দিন | ২০০০০০.০০/- |
